# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-FEB-2026
**Time :** 1910 HRS

## *Assamese Evening Bulletin*
## Headlines

-------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নতুন দিল্লীত আজি আবুধাবিৰ ৰাজকুমাৰ শ্বেইখ খালেদ বিন মহম্মদ বিন জায়েদ আল নাহিয়ানৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

২। ভাৰত মণ্ডপমত অনুষ্ঠিত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন ২০২৬ত ভালেসংখ্যক বৃহৎ কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়াসকল উপস্থিত থাকে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ অসম ভ্ৰমণসূচীৰে কাইলৈ কাছাৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী কাটিগড়াৰ নাটানপুৰ গাঁও পৰিদৰ্শন কৰিব। কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধী দুদিনীয়া কাৰ্যসূচীৰে আজি গুৱাহাটীত উপস্থিত হয়।

৪। ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আজিৰে পৰা আৰম্ভ হৈছে।

**আৰু**

৫। আই চি চি টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ এখন খেলত আফগানিস্তান, কানাডাৰ মুখামুখি হৈছে।

ooooo

নতুন দিল্লীত অনুষ্ঠিত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষক সন্মিলন ২০২৬ত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আবুধাবিৰ ৰাজকুমাৰ শ্বেইখ খালেদ বিন মহম্মদ বিন জায়েদ আল নাহিয়ানৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা অনুসৰি এই বৈঠকত দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সহযোগিতাৰ বিষয়ে আলোচনা কৰে আৰু বিভিন্ন দিশত অগ্ৰগতিৰ ক্ষেত্ৰত সন্তুষ্টি প্ৰকাশ কৰে। ভাৰত আৰু আবুধাবিৰ সম্পৰ্কৰ ঐতিহাসিক সম্পৰ্ক স্মৰণ কৰি নেতা দুগৰাকীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ সম্ভাৱনাৰ বিষয়েও আলোচনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনত নেডাৰলেণ্ডছৰ প্ৰধানমন্ত্ৰী ডিক স্কুফৰ সৈতেও বৈঠকত মিলিত হয়। এই বৈঠকৰ সময়ত দুয়োগৰাকী নেতাই অৰ্থনৈতিক আৰু সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ উপযোগিতাৰ বিষয়ে আলোচনা কৰে। ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত হোৱা মুক্ত বাণিজ্য চুক্তিৰ সফলতা সন্দৰ্ভতো বৈঠকখনত আলোচনা কৰা হয়। নেতা দুগৰাকীয়ে অৰ্থনৈতিক অংশীদাৰিত্বৰ নতুন সুযোগ লাভ কৰিবলৈ প্ৰযুক্তি আৰু উদ্ভাৱনৰ ক্ষেত্ৰত ভাৰত আৰু নেডাৰলেণ্ডছৰ মাজৰ সহযোগিতা শক্তিশালী কৰিবলৈ সন্মত হয়। সন্ত্ৰাসবাদৰ বিৰুদ্ধে বিশ্বব্যাপী যুঁজখন শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতিও প্ৰকাশ কৰে। শ্ৰীমোদীয়ে আজি নতুন দিল্লীত ছুইজাৰলেণ্ডৰ

ৰাষ্ট্ৰপতি গাই পাৰ্মেলিন আৰু হেলেনিক ৰিপাব্লিকৰ প্ৰধানমন্ত্ৰী কাইৰিয়াকোচ মিট্‌চোটাকিছ্‌ৰ সৈতেও দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন ২০২৬ত ভালেসংখ্যক বৃহৎ কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়াসকল উপস্থিত থাকে। আজি পুৱাৰ ভাগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অনুষ্ঠান মুকলি কৰে।

টাটা চন্‌চৰ অধ্যক্ষ এম চন্দ্ৰশেখৰণে কয় যে কৃত্ৰিম বুদ্ধিমত্তা হৈছে পৰৱৰ্তী আন্তঃগাঁথনিৰ ভেটি। তেওঁ দেশৰ ৰাজহুৱা ডিজিটেল আন্তঃগাঁথনিৰ কৃতিত্বসমূহৰ আলোকপাত কৰাৰ লগতে শ্বিপ আৰু চিষ্টেমৰ পৰা শক্তি আৰু এপ্লিকেচনলৈ সম্পূৰ্ণ কৌশলগত ৰাষ্ট্ৰীয় সামৰ্থ্য হিচাপে কৃত্ৰিম বুদ্ধিমত্তাক স্থান দিয়ে।

২০২৩ চনত ব্লেচলী পাৰ্কত অনুষ্ঠিত প্ৰথম গোলকীয় কৃত্ৰিম বুদ্ধিমত্তা সুৰক্ষা সন্মিলনত অংশগ্ৰহণ কৰি এন্‌থ্ৰোপিকৰ মুখ্য কাৰ্যবাহী বিষয়া ডাৰিঅ' আমোডেই কৃত্ৰিম বুদ্ধিমত্তাৰ পৰিৱৰ্তিত বিকাশ সন্দৰ্ভত চিন্তা-চৰ্চা কৰে। তেওঁ কয় যে কৃত্ৰিম বুদ্ধিমত্তাৰ এনে স্তৰলৈ বিকাশ ঘটিছে যে ই মানুহৰ সামৰ্থ্যক অতিক্ৰম কৰিব পাৰে।

এলফাবেটৰ মুখ্য কাৰ্যবাহী বিষয়া সুন্দৰ পিচাইয়ে কৃত্ৰিম বুদ্ধিমত্তাক এখন বৃহৎ মঞ্চ বুলি অভিহিত কৰি কয় যে ইয়াৰ জৰিয়তে বৈজ্ঞানিক আৱিস্কাৰৰ যথেষ্ট সম্ভাৱনা আছে। তেওঁ কয় যে কৃত্ৰিম বুদ্ধিমত্তা সকলোৰে বাবে সহায়ক।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ অসম ভ্ৰমণসূচীৰে কাইলৈ দিনৰ চাৰে ১০ বজাত কাছাৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী কাটিগড়াৰ নাটানপুৰ গাঁও পৰিদৰ্শন কৰিব। তেওঁ অবৈধ প্ৰব্ৰজন আৰু সীমান্তৰে চলা অপৰাধ নিয়ন্ত্ৰণৰ বাবে সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ অগ্ৰগতি আৰু সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে শিলচৰৰ পৰা ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায়ো আনুষ্ঠানিকভাৱে মুকলি কৰিব। কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰে ৰূপায়ণ কৰা এই উদ্যমৰ জৰিয়তে সীমামূৰীয়া গাঁওসমূহক অত্যাধুনিক পথ, দূৰসংযোগ আৰু বহনক্ষম কৰ্মসংস্থাপন সুযোগেৰে আত্মনিৰ্ভৰ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। পৰহিলৈ তেওঁ গুৱাহাটীৰ সৰুসজাইত চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। কেন্দ্ৰীয় বাহিনীটোৱে এইবাৰ প্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত প্ৰতিষ্ঠা দিৱসৰ ৰাষ্ট্ৰীয় কুচ-কাৱাজৰ আয়োজন কৰিছে। শ্ৰীশ্বাহে লগতে সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বেটেলিয়নৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন কৰিব।

ইপিনে, দুদিনীয়া কাৰ্যসূচীৰে কংগ্ৰেছ নেত্ৰী তথা নিখিল ভাৰত কংগ্ৰেছৰ নিৰীক্ষণ কমিটীৰ অধ্যক্ষা প্ৰিয়ংকা গান্ধী আজি গুৱাহাটীত উপস্থিত হৈছে। পুৱা কংগ্ৰেছ নেত্ৰীগৰাকীক বৰঝাৰ বিমান বন্দৰত দলীয় নেতা-কৰ্মীসকলে আদৰণি জনায়। সাংসদ গান্ধীয়ে বৰঝাৰ বিমান বন্দৰৰ পৰা পোনে পোনে কামাখ্যা মন্দিৰলৈ যায় আৰু দেৱীৰ আশীষ গ্ৰহণ কৰে। ইয়াৰ পাছত তেওঁ ৰাজীৱ ভৱনলৈ আহি দলৰ বিভিন্ন পৰ্যায়ৰ বিষয়ববীয়াৰ সৈতে আলোচনাত মিলিত হয়। কংগ্ৰেছ নেত্ৰীগৰাকীয়ে ৰাজীৱ ভৱনৰ মানবেন্দ্ৰ শৰ্মা কমপ্লেক্সত দলৰ এখন সভাত অংশগ্ৰহণ কৰে। কাইলৈ তেওঁ দলৰ বিভিন্ন পৰ্যায়ৰ কৰ্মকৰ্তাৰ সৈতে বৈঠকত মিলিত হ'ব।

ooooo

ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আজিৰে পৰা আৰম্ভ হৈছে। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আকাশত কালি সন্ধিয়া জোন দেখা পোৱাৰ পিছত আজিৰে পৰা ইছলাম ধৰ্মাৱলম্বী লোকসকলে তেওঁলোকৰ পৱিত্ৰ ৰমজান মাহ পালন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৱিত্ৰ ৰমজান উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে এই পৱিত্ৰ মাহে সমাজত একতাৰ এনাজৰী অধিক সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে সকলোৰে সুখ-সমৃদ্ধি কামনা কৰে। কেন্দ্ৰীয় হিলাল কমিটীয়ে কালি ৰমজানৰ কথা ঘোষণা কৰি অসমবাসীক শুভেচ্ছা জনাইছে। উল্লেখযোগ্য যে, ৰমজান হৈছে ইছলামিক কেলেণ্ডাৰৰ নৱম মাহ আৰু এই পৱিত্ৰ মাহৰ এমাহজোৰা উপবাসৰ অন্তত ঈদ-উল-ফিটৰ পালন কৰা হয়।

ooooo

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে জনসাধাৰণক বিপথে পৰিচালিত কৰিবলৈ আয়োগৰ নাম অপব্যৱহাৰ কৰা বেচৰকাৰী সংস্থাসমূহক চিনাক্ত কৰিবলৈ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানলৈ জাননী জাৰি কৰিছে। কিছু সংখ্যক বেচৰকাৰী সংস্থাই আয়োগৰ বিভ্ৰান্তিকৰ প্ৰমাণপত্ৰ আৰু পদবী ব্যৱহাৰ কৰা বুলি ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে নিৰীক্ষণ কৰি আছে। এনে কামে জনসাধাৰণৰ আস্থা আৰু সম্ভাব্য ধনৰ অপব্যৱহাৰ কৰিব বুলি আয়োগে প্ৰকাশ কৰিছে। নিয়ম উলংঘা কৰি লাভ কৰা পঞ্জীয়ন বাতিলকে ধৰি দুসপ্তাহৰ ভিতৰত সংশ্লিষ্ট কৰ্তৃপক্ষক তাৎক্ষণিকভাৱে আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আয়োগে নিৰ্দেশনা জাৰি কৰে। কৰ্ণাটকৰ আৰক্ষী সঞ্চালক প্ৰধান আৰু দিল্লীৰ আৰক্ষী সচিবক বেচৰকাৰী সংস্থাসমূহৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত দুসপ্তাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ আয়োগে নিৰ্দেশ দিছে।

ooooo

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থাই আজি চণ্ডীগড়ত গগন যান কাৰ্যসূচীৰ বাবে ড্ৰ'গ পেৰাচুটৰ যোগ্যতা নিৰ্ণয়কাৰী পৰীক্ষণ সফলতাৰে সম্পন্ন কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে কয় যে এই পৰীক্ষণৰ সময়ত পেৰাচুটত বিমানৰ সৰ্বাধিক ভৰতকৈ অধিক ভৰৰ জৰিয়তে ইয়াৰ শক্তিশালী আৰু কাৰ্যকাৰিতাৰ প্ৰমাণ কৰা হৈছে। এই পৰীক্ষাৰ জৰিয়তে পেৰাচুটৰ অতিৰিক্ত ডিজাইন সুৰক্ষাৰ মানো নিৰ্ণয় কৰা হয়। ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই কালি এই পৰীক্ষণ সম্পন্ন কৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে গগনযান ড্ৰ'গ পেৰাচুটৰ সফল যোগ্যতা পৰীক্ষণ সন্দৰ্ভত প্ৰতিৰক্ষা গৱেষণা তথা বিকাশ সংগঠন, ইছৰো আৰু উদ্যোগ জগতক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে এই গগনযান ড্ৰ'গ পেৰাচুটৰ সফল পৰীক্ষণে আত্মনিৰ্ভৰ ভাৰতৰ দিশত এটা উল্লেখযোগ্য পদক্ষেপ হিচাপে চিহ্নিত হ'ব।

ooooo

ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত সম্পাদিত বাণিজ্য চুক্তিয়ে কাজু বাদাম খণ্ডৰ সৈতে জড়িত উদ্যোগীসকলক উৎসাহিত কৰিছে। আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা কথা-বতৰাত সৰ্বভাৰতীয় কাজু সংস্থাৰ সচিব ৰামকৃষ্ণণে কয় যে এই চুক্তিৰ জৰিয়তে কাজু খণ্ডৰ সৈতে জড়িত ১০ লাখ লোক লাভান্বিত হ'ব। তেওঁ কয় যে শুল্ক হ্ৰাসে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ কাজু ৰপ্তানিৰ সুবিধা বৃদ্ধি কৰিব।

ooooo

শেহতীয়াকৈ ৰাষ্ট্ৰজোৰা প্ৰতিবাদৰ সময়ত ইৰাণীয়ান জনসাধাৰণৰ বাক্ স্বাধীনতাৰ অধিকাৰ দমন কৰাৰ অভিযোগত আমেৰিকা যুক্তৰাষ্ট্ৰই ইৰাণীয়ান বিষয়া আৰু দূৰ সংযোগ বিভাগৰ কেইবাগৰাকীও নেতা সন্দৰ্ভত নতুন ভিছা নিষেধাজ্ঞা ঘোষণা কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ কাৰ্যালয়ৰ তথ্য অনুসৰি ১০ হাজাৰতকৈও অধিক শান্তিপূৰ্ণ প্ৰতিবাদকাৰীৰ ওপৰত কৰ্তৃপক্ষই দমন নীতি প্ৰয়োগ কৰিছিল আৰু ইণ্টাৰনেট সংযোগ কৰ্তন কৰাৰ লগতে জনসাধাৰণক অকলশৰীয়া কৰি ৰাখিছিল। এই নতুন ভিছা ব্যৱস্থা ১৮গৰাকী বিষয়া আৰু দূৰ সংযোগ বিষয়া তথা তেওঁলোকৰ পৰিয়ালৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। আমেৰিকাই ইৰাণীয়ান জনসাধাৰণৰ প্ৰতি দেশখনৰ সমৰ্থন আৰু দায়বদ্ধতা থকাৰ কথা দোহাৰে।

ooooo

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত তৃতীয়খন খেলত আফগানিস্তান কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনত টছত জিকি কানাডাই বলিং কৰাৰ সিদ্ধান্ত লয়।

ইপিনে কলম্বোত অনুষ্ঠিত এখন খেলত জিম্বাব'ৱেই শ্ৰীলংকাক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত শ্ৰীলংকাই টছত জিকি প্ৰথমে বেট ধৰি ৭টা উইকেট হেৰুৱাই ১৭৮ ৰান কৰিবলৈ সমৰ্থ হয়। জিম্বাব'ৱেই ১৯ অভাৰ ৩টা বলত ১৮২ ৰান কৰি জয় লাভ কৰে।

ooooo

সমাপ্ত